নং ঃ ৩৩৯/২০২০

**ক'ভিড-১৯ বিৰোধী যুঁজৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিৰ বৰঙনি অব্যাহত**

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ কংগ্ৰেছ বিধায়িনী দলৰ ১২.৫০ লাখ টকাৰ বৰঙনি

**দিছপুৰ, ৬ মে'ঃ** ক'ভিড-১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে আগবঢ়োৱা বৰঙনি আজিও অব্যাহত আছে।

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ কালি অসম বিধানসভাৰ কংগ্ৰেছ বিধায়িনী দলে ১২.৫৩ লাখ টকা আৰু উত্তৰ-কাছাৰ পাহাৰ স্বায়ত্তশাসিত পৰিষদে ১ লাখ টকা বৰঙনি আগবঢ়োৱাৰ পাছত আজি বিধায়ক অশোক কুমাৰ সিংহীয়ে ১ লাখ টকা, নৰ্থ-ইষ্ট পেট্ৰ'লিয়াম কেৰিয়াৰ্ছ এছ'চিয়েশ্যনে ১.১১ লাখ টকা আৰু ইণ্ডিয়ান বেংকে ২০ লাখ টকাৰ বৰঙনি আগবঢ়ায়।

**প্ৰঃকুঃবঃ / পুঃডেঃ/ বঃভাঃ**
**০৬/৫/২০২০**